...যেতিয়া নাগৰিকত্ব সংশোধনী বিধেয়ক উত্থাপন কৰা হৈছিল, তেতিয়া কেন্দ্ৰীয় চৰকাৰে অসমত বাংলাদেশী অনুপ্ৰৱেশৰ পৰিস্থিতিক সম্পূৰ্ণৰূপে অৱজ্ঞা কৰিছিল। অসমে ইতিমধ্যে ১৯৫১-৭১ৰ মাজৰ বাংলাদেশী নাগৰিকসকলৰ বোজা গ্ৰহণ কৰিছে আৰু বৰ্তমানে ৭০ লাখ বা এসত্তৰৰ পাছত অহা বাংলাদেশীসকলৰ বোজাত ভাৰাক্ৰান্ত হৈছে। কিন্তু নাগৰিকত্ব সংশোধনী আইনৰ পৰা অসমক বাহিৰত ৰখাৰ বাবে চৰকাৰে কোনোধৰণৰ বিশেষ ব্যৱস্থা গ্ৰহণ নকৰিলে...

# জলবায়ু পৰিৱৰ্তন বাংলাদেশ আৰু 'কা'

❐ প্ৰদীপ ভূঞা

**১,৪৭,৫৭০** বৰ্গ কিলোমিটাৰ স্থলভাগেৰে বাংলাদেশ পৃথিৱীৰ ভিতৰতে অন্যতম বৃহৎ ব-দ্বীপ। দেশখনৰ মাটি-কালি অসমৰ দুগুণো নহ'ব যদিও ২০১৯ চনত বাংলাদেশৰ জনসংখ্যা আছিল প্ৰায় ১৭ কোটি। ইয়াৰে এক চতুৰ্থাংশ লোক উপকূলীয় অঞ্চলত বসবাস কৰে। সাগৰপৃষ্ঠ এক মিটাৰ বৃদ্ধি পালেই বাংলাদেশে ইয়াৰ ১৫ শতাংশ স্থলভাগ সাগৰৰ বুকুত হেৰুৱাব আৰু উপকূলত বাস কৰা বাংলাদেশৰ ৩০ মিলিয়ন লোক শৰণাৰ্থী হৈ পৰিব।

বাংলাদেশৰ এইসকল জলবায়ু শৰণাৰ্থীৰ সংখ্যা অহা দশকসমূহত নাটকীয়ভাৱে বৃদ্ধি পোৱাৰ আশংকা কৰা হৈছে। জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱৰ ফলতে প্ৰায় ২ কোটি লোক ২০৫০ৰ ভিতৰত গৃহহাৰা হোৱাৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে। বাংলাদেশত থাকিবলৈ তেওঁলোকৰ বাবে কোনো ঠাই নাথাকিব। বাংলাদেশৰ লোকসকলে জলবায়ু পৰিৱৰ্তনৰ ফলসমূহ ইতিমধ্যে নাটকীয়ভাৱে মুখামুখি হ'বলগীয়া হৈছে। বাংলাদেশ সদায় চাইক্ল'নপ্ৰৱণ। কিন্তু ২০০৭ চনৰ বিশাল সামুদ্ৰিক ধুমুহা ছিড়ৰে বাংলাদেশৰ উপকূলীয় অঞ্চলক প্ৰতিঘণ্টাত ১৫৫ মাইল বেগেৰে আৰু ১৬ ফুট উচ্চতাৰ সাগৰীয় ঢৌৱে কোবাই যায়। ইয়াৰ ফলত ৩০ লাখ লোক ক্ষতিগ্ৰস্ত হয় আৰু লাখ লাখ ঘৰ ধ্বংস হয়।

অলপতে অষ্ট্ৰেলিয়াত হোৱা বনজুয়ে ১,৮৬,০০ বৰ্গ কিলোমিটাৰ অঞ্চল গ্ৰাস কৰিছে। ই অসমৰ মাটিকালিৰ আঢ়ৈ গুণতকৈ অধিক। ইয়াৰ ফলত লক্ষাধিক প্ৰাণী বা উদ্ভিদ প্ৰজাতি ধ্বংস হৈছে। অষ্ট্ৰেলিয়াৰ বনজুই জলবায়ু পৰিৱৰ্তনৰ জ্বলন্ত উদাহৰণ। ২০১৯ চনটো সমগ্ৰ অষ্ট্ৰেলিয়াৰ বাবে সৰ্বকালৰ গৰম আৰু শুকান বছৰ আছিল। বিজ্ঞানীসকলে এই বিষয়ে ২০০৮ চনৰ পূৰ্বেই ভৱিষ্যদ্বাণী কৰিছিল। জলবায়ু পৰিৱৰ্তন এতিয়া বাস্তৱ আৰু বিজ্ঞানীসকলে কোৱাৰ দৰে নিঃসন্দেহে ২০৫০ৰ ভিতৰত ২ কোটি জলবায়ু শৰণাৰ্থীৰে সৰ্বাধিক জলবায়ু শৰণাৰ্থী থকা দেশ হিচাপে পৰিগণিত হ'ব বাংলাদেশ।

**২ কোটি জলবায়ু শৰণাৰ্থী ঃ আগন্তুক তিনি দশকত অসমৰ ওপৰত পৰিবলগীয়া প্ৰভাৱ ঃ** বিজ্ঞানীসকলে কোৱা মতে ২০৫০ৰ ভিতৰত জলবায়ু পৰিৱৰ্তনৰ বাবে বৃদ্ধিপোৱা সাগৰীয় পৃষ্ঠ আৰু আন প্ৰভাৱৰ বাবে বাংলাদেশৰ ২ কোটি লোক স্থানান্তৰিত হ'ব। এই গৃহহাৰা বাংলাদেশীসকলৰ বাবে অসম আৰু ভাৰতৰ আন আন অংশ প্ৰাকৃতিক আৰু একমাত্ৰ লক্ষ্যস্থান হৈ পৰিব। বাংলাদেশী প্ৰব্ৰজনকাৰীসকলৰ বাবে অসম সদায় প্ৰিয় গন্তব্যস্থান। ১৯৫১ চনৰ পৰা বিগত সাতটা দশকত এক কোটি লোক বাংলাদেশৰ পৰা অসমত প্ৰৱেশ কৰিছে। দ্ৰুত জলবায়ু পৰিৱৰ্তনৰ ফলত অনুপ্ৰৱেশৰ হাৰ অধিক ক্ষিপ্ৰ হৈ পৰিব। এই ২ কোটি জলবায়ু শৰণাৰ্থীৰ এক বৃহৎ অংশই নিশ্চিতভাৱে অসম তথা উত্তৰ-পূবত প্ৰৱেশ কৰিব।

**জলবায়ু শৰণাৰ্থী হিচাপে হিন্দু বাংলাদেশী ঃ** হিন্দু বাংলাদেশীসকলে জানে যে অনাগত দশকসমূহত তেওঁলোকে অসম তথা ভাৰতৰ আন প্ৰান্তৰত নিৰ্যাতিত সংখ্যালঘু হিচাপে প্ৰৱেশ কৰি 'কা'ৰ অধীনত নাগৰিকত্ব লাভ কৰিব পাৰে, যদিহে আইনখন কাৰ্যকৰী হৈ থাকে। যদিও ২০১৪ চনক স্বৈৰাচাৰীভাৱে সময়সীমা হিচাপে লোৱা হৈছে চৰকাৰে মানৱীয় বা ৰাজনৈতিক ভিত্তিত এই সময়সীমা প্ৰত্যাহাৰ বা সম্প্ৰসাৰণ কৰিব পাৰে।

অনাগত দিনত নিজৰ বাবে ঠাই উলিয়াবলৈ মুছলমান বাংলাদেশীসকলে হিন্দু বাংলাদেশীসকলক খেদি পঠিয়াব আৰু যেতিয়া বাংলাদেশত থকা ঠাইৰ সম্পূৰ্ণ অভাৱ হ'ব তেওঁলোকেও অসম তথা ভাৰতবৰ্ষলৈ ঢাপলি মেলিব।

**এক ক্ষীণদৃষ্টি ঃ** 'কা'ৰ জৰিয়তে অসমত কিমান হিন্দু বাংলাদেশীক নাগৰিকত্ব প্ৰদান কৰা হ'ব সেই সন্দৰ্ভত আমি এক অতি ক্ষীণদৃষ্টি গ্ৰহণ কৰিছোঁ। এই সংখ্যা তিনিৰ পৰা পোন্ধৰ লাখ হ'ব বুলি কোৱা হৈছে। কিন্তু অনাগত তিনি দশকত আহিবলগীয়া বৃহৎ সংখ্যক জলবায়ু শৰণাৰ্থীয়ে আজিৰ চূড়ান্ত সংখ্যাক তাৎপৰ্যহীন কৰি তুলিব। এখন সমাজ বা দেশৰ ইতিহাসৰ ফালৰ পৰা তিনিটা দশক তেনেই সামান্য।

**সন্মানীয় উচ্চতম ন্যায়ালয় আৰু বিভিন্ন উপায় ঃ** আছুকে ধৰি আন বিভিন্ন দল-সংগঠন আৰু ব্যক্তিয়ে দাখিল কৰা গোচৰৰ ভিত্তিত নাগৰিকত্ব সংশোধনী আইন এতিয়া উচ্চতম ন্যায়ালয়ৰ দুৱাৰডলিত আৰু সন্মানীয় উচ্চতম ন্যায়ালয়ে ইয়াৰ বৈধতা বিচাৰ কৰিব। আদালতে আইনখনক কিছু পৰিৱৰ্তনেৰে বাহাল ৰাখিব পাৰে বা অসাংবিধানিক আখ্যাৰে সম্পূৰ্ণৰূপে বাতিল কৰিব পাৰে। ৰাইজে নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে যদিও আইনখনৰ বৈধতা সাংবিধানিক ভিত্তিতহে সন্মানীয় উচ্চতম ন্যায়ালয়ে নিৰ্ধাৰণ কৰিব।

**সন্মানীয় উচ্চতম ন্যায়ালয়ৰ ওপৰত নিৰ্ভৰ কৰি অসমে মূলতঃ 'কা'ক লৈ তিনিটা দিশৰ সন্মুখীন হোৱাৰ সম্ভাৱনা আছে ঃ**

(১) যদি উচ্চতম ন্যায়ালয়ে আইনী আৰু সাংবিধানিক ভিত্তিত 'কা' বাতিল কৰে, তেন্তে আমি আইনখন গৃহীত কৰাৰ পূৰ্বৰ অৱস্থালৈ উভতি যাম। তেতিয়া অসম চুক্তি অৱমাননা কৰা নহ'ব।

অৱশ্যে ২ কোটি জলবায়ু শৰণাৰ্থীৰ ভিতৰত কিছুসংখ্যকে অবৈধভাৱে অসমত প্ৰৱেশ কৰিব যদিও অধিকাংশই অসমত '৭১ৰ পাছত স্বীকৃত বাংলাদেশীৰ পৰিচয়টোৰ পৰা হাত সাৰিবলৈ পশ্চিমবংগ বা ভাৰতৰ আন প্ৰান্তৰত প্ৰৱেশ কৰিব।

(২) যদি উচ্চতম ন্যায়ালয়ে আইনখন বৈধ বুলি বাহাল ৰাখে বা কিছু সংশোধনেৰে কাৰ্যকৰী কৰাৰ অনুমোদন দিয়ে আৰু অসমো ইয়াৰ অংশ হৈ থাকে তেন্তে ডেৰ কোটি বাংলাদেশী হিন্দুৰ অধিকাংশই অসমত প্ৰৱেশ কৰিব। আগন্তুক তিনিটা দশকত তেওঁলোকে নিৰ্যাতিত শৰণাৰ্থী হিচাপে নাগৰিকত্ব বিচাৰিব।

এয়া অসমৰ বাবে ভয়াৱহ হ'ব। ভৱিষ্যতৰ জলবায়ু শৰণাৰ্থীসকল অতিশয় দৰিদ্ৰ। তেওঁলোকৰ বাবে বাংলাদেশত থাকিবলৈ কোনো ঠাই নাথাকিব আৰু কোনো কাঁইটীয়া বেৰে তেওঁলোকক শৰণাৰ্থী হিচাপে অসম তথা ভাৰতত প্ৰৱেশ কৰাৰ পৰা বাধা দিব নোৱাৰিব।

(৩) যদি যেনেদৰে আছে বা কিছু পৰিৱৰ্তনেৰে উচ্চতম ন্যায়ালয়ে 'কা'ক বৈধ বুলি বাহাল ৰাখে আৰু অসমক ইয়াৰ পৰা বাহিৰত ৰাখে ২ কোটি জলবায়ু শৰণাৰ্থীৰ অধিকাংশ হিন্দু বাংলাদেশীয়ে অসমৰ সলনি পশ্চিমবংগত আৰু ভাৰতত প্ৰৱেশ কৰি নাগৰিকত্ব সংশোধনী আইনৰ অধীনত ভাৰতীয় নাগৰিকত্বৰ বাবে আবেদন কৰিব। অনাগত দশকসমূহত এয়া অসমৰ বাবে নিৰাপদ পৰিস্থিতি হ'ব আৰু খিলঞ্জীয়া লোকৰ পৰিচয় সুৰক্ষিত হৈ থাকিব।

**অসমক 'কা'ৰ পৰা বাহিৰত ৰখা উচিত ঃ** যেতিয়া নাগৰিকত্ব সংশোধনী বিধেয়ক উত্থাপন কৰা হৈছিল, তেতিয়া কেন্দ্ৰীয় চৰকাৰে অসমত বাংলাদেশী অনুপ্ৰৱেশৰ পৰিস্থিতিক সম্পূৰ্ণৰূপে অৱজ্ঞা কৰিছিল। অসমে ইতিমধ্যে ১৯৫১-৭১ৰ মাজৰ বাংলাদেশী নাগৰিকসকলৰ বোজা গ্ৰহণ কৰিছে আৰু বৰ্তমানে ৭০ লাখ বা এসত্তৰৰ পাছত অহা বাংলাদেশীসকলৰ বোজাত ভাৰাক্ৰান্ত হৈছে। কিন্তু নাগৰিকত্ব সংশোধনী আইনৰ পৰা অসমক বাহিৰত ৰখাৰ বাবে চৰকাৰে কোনোধৰণৰ বিশেষ ব্যৱস্থা গ্ৰহণ নকৰিলে।

এনে প্ৰেক্ষাপটত অসমক 'কা'ৰ পৰা বাহিৰত ৰখাটো যুক্তিসংগত হ'ব। যদি সেয়া হয়, তেন্তে ১৯৭১ চনৰ পাছত অহা হিন্দু বাংলাদেশী বা অবৈধ নাগৰিকসকলৰ অসমত কোনো স্থান নাথাকিব আৰু 'কা'ৰ অধীনত আমাৰ বৃহৎ দেশখনৰ আন স্থানত তেওঁলোক শৰণাৰ্থী নাগৰিক হিচাপে সংস্থাপিত হ'ব পাৰিব। অসমত তেওঁলোকক চৰকাৰী সা-সুবিধা, চাকৰি, ভোটাধিকাৰৰ বাবে যোগ্য বিবেচিত কৰা নহ'ব।

যিহেতু অসম চুক্তি অসমকেন্দ্ৰিক, সেয়ে 'কা' অসমত প্ৰযোজ্য নহ'লে এই চুক্তিৰো অৱমাননা নহ'ব।

**পৰিসমাপ্তি ঃ** এনে প্ৰসংগত অসমক নাগৰিকত্ব সংশোধনী আইনৰ পৰা বাহিৰত ৰখাৰ বাবে দাবী উত্থাপন কৰাটো জৰুৰী, কিয়নো ইয়াৰ আঁৰত বৈধ কাৰণ আছে। অসমক যদি নাগৰিকত্ব সংশোধনী আইনৰ পৰা বাহিৰত ৰখা নহয়, উত্তৰ-পূবৰ আন ৰাজ্যসমূহো জলবায়ু শৰণাৰ্থীৰ বোজাৰ পৰা ৰক্ষা নপৰিব। এই জল বায়ু শৰণাৰ্থীসকলৰ প্ৰৱেশ আন্তঃৰাজ্যিক পাৰপত্ৰ বা আন কোনো উপায়েৰে ৰুদ্ধ কৰিব পৰা নাযাব। আগন্তুক সময়ত তেওঁলোকে অসমৰ পৰা উত্তৰ-পূবৰ আন ৰাজ্যলৈ বিয়পি পৰি উত্তৰ-পূৰ্বাঞ্চলৰ ভংগুৰ জনগাঁথনিৰ পৰিৱৰ্তন কৰিব।

**লেখক আইআইটিয়ান আৰু অশীতিপৰ নাগৰিক**